# নলবাৰী অঞ্চলত প্ৰচলিত গীত-মাত

ড° মনালিছা বৰা
অধ্যাপিকা, অসমীয়া বিভাগ

ভাৰতৰ পূৱ প্ৰান্তত অৱস্থিত অসম ৰাজ্যক প্ৰধানতঃ দুটা ভৌগলিক খণ্ডত বিভক্ত কৰা হৈছে --- উজনি খণ্ড আৰু নামনি খণ্ড। ভাষা, সামাজিক ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, উৎসৱ-পাৰ্বন আদিৰ ক্ষেত্ৰত এই দুয়োটা খণ্ডৰে কেতবোৰ সুকীয়া বৈশিষ্ট্য আছে। ব্যৱসায়-বাণিজ্য, শিক্ষা-দীক্ষা আৰু সাংস্কৃতিক দিশত নামনি অঞ্চল যথেষ্ট আগবঢ়া। তদুপৰি ভাষাৰ দিশৰ পৰা চাবলৈ গ'লে নামনি অসমৰ ভাষাই এক সুকীয়া ৰূপ লাভ কৰিছে, যাৰ ফলস্বৰূপে সমগ্ৰ অসম উজনি-নামনি আদি ভৌগলিক খণ্ডত বিভক্ত হৈ পৰিছে। অসমৰ নামনি অঞ্চলৰ ভিতৰত নলবাৰীৰ এক বিশেষ বৈশিষ্ট্য আছে। গীত-মাত, উৎসৱ-পাৰ্বন, ভাষা, ধৰ্মীয় ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আদিৰ ক্ষেত্ৰত নলবাৰী অঞ্চলে কামৰূপৰ ভালেখিনি বৈশিষ্ট্য বহন কৰিছে। নলবাৰী তথা অসমৰ নামনি অঞ্চলত এনে কিছুমান সুকীয়া উৎসৱ পাৰ্বন আৰু তাৰ লগত জড়িত গীত-মাতৰ প্ৰচলন আছে যিবোৰ অসমৰ আন ঠাইত পোৱা নাযায়।

লোকসাহিত্য হ'ল একোটা জাতিৰ এখন দাপোনস্বৰূপ, যিখন দাপোনত লোক জীৱনৰ বিভিন্ন দিশ প্ৰতিবিম্বিত হয়। লোকসাহিত্যৰ এটি অন্যতম অঙ্গ হ'ল লোকগীত। অনাক্ষৰী আদিম চহা লোকসকলৰ দ্বাৰা ৰচিত এই গীতবোৰৰ মাজেৰে লোকমনৰ সুখ-দুখ, আশা-আকাঙ্খা, অভিজ্ঞতা, কল্পনা আৰু অনুভূতিৰ বিচিত্ৰ প্ৰকাশ ঘটিছে। লোকমন আৰু লোকজীৱনৰ বিভিন্ন অভিব্যক্তিৰ প্ৰকাশ ঘটা এই লোকগীতবোৰ লোক সাহিত্যৰ অমূল্য সম্পদ। বিভিন্ন উৎসৱ-অনুষ্ঠানৰ লগত জড়িত লোক-গীতসমূহ ভক্তিমূলক আৰু ভক্তিনিৰপেক্ষ -- এই দুটা ভাগত বিভক্ত। অসমৰ নামনি অঞ্চলত ভক্তিমূলক উৎসৱ অনুষ্ঠানৰ প্ৰাধান্য অধিক। এই উৎসৱ অনুষ্ঠানবোৰৰ লগত গীত অঙ্গাগীভাৱে জড়িত। নামনি অসমৰ নলবাৰী অঞ্চলত ভক্তিমূলক বিভিন্ন উৎসৱ-অনুষ্ঠানত গোৱা গীতবোৰৰ ভিতৰত আই বা শীতলাৰ নাম, দুৰ্গাৰ নাম, মনসাৰ গীত, সুবচনী পূজাৰ গীত, অপেশ্বৰীৰ গীত, লক্ষীৰ নাম, আউলা পূজাৰ নাম, জগন্নাথৰ নাম আদি উল্লেখযোগ্য। সেইদৰে বিভিন্ন উৎসৱ অনুষ্ঠানৰ লগত জড়িত অথচ ভক্তিনিৰপেক্ষ বিভিন্ন লোকগীত নামনি অসমৰ নলবাৰী অঞ্চলত প্ৰচলিত আছে। এনেধৰণৰ গীতৰ ভিতৰত বিয়ানাম, চূড়াকৰণৰ গীত, মহোহো গীত, বাস্বোলপিটা গীত, বিহুগীত আদি অন্যতম। নলবাৰী অঞ্চলত বিভিন্ন কৰ্মমূলক বা কৰ্মৰ লগত জড়িত লোকগীতবো প্ৰচলন আছে। ধাইনাম বা নিচুকণি গীত, নাওখেলৰ গীত, বৰশীবোৱা গীত, কুঁহিয়াৰ পেৰা গীত, হালবোৱা গীত, গৰখীয়া গীত, ধানবনা গীত আদি এই শ্ৰেণীৰ অন্তৰ্গত।

উজনি আৰু নামনি নিৰ্বিশেষে সমগ্ৰ অসমত গভীৰ বিশ্বাস আৰু ভক্তিৰে পালন বা এটি অনুষ্ঠান হ'ল শীতলা পূজা বা আই সবাহ। বসন্ত ৰোগ নিৰাময়ৰ বাবে আই বা শীতলাৰ পূজা পতা হয় আৰু ইয়াত আই বা শীতলাৰ নাম গোৱা হয়। নামনি অসমৰ বিভিন্ন ঠাইত আই বা শীতলাৰ সবাহ পাতি নাম গোৱা হয়। নামনি অসমৰ নলবাৰী অঞ্চলত প্ৰচলিত আই বা শীতলাৰ নামৰ নিদৰ্শন হ'ল --

"আসন পাতি থইচু বহক মহামায়া
থাকক গপিৰ কথা শুনি
সুকিলা ফুলে আসন সজাই দিচু
আগ কৰি আহা আই।"

ভক্তিমতী আয়তীসকলে আইক কি দি পূজা কৰিব একো বিচাৰি পোৱা নাই। লোক গীতত উল্লেখ আছে এনেদৰে --

"কি দিয়া পূজিম আই এহে চৰণ তোমাৰে

কল দিয়া পূজিম আই বাদুলি আগে খায়।
ক্ষীৰ দিয়া পূজিম আই বাচুৰে আগে খায়।।

ধূপ দিয়া পূজিম আই ছাই পৰি যায়।
চাতি দিয়া পূজিম আই অগনি আগে খায়।।
যি ফুলে পূজিম আই সিও ফুল চুৱা।
আপোনাৰ নামে আপোনাক পূজিম গধূলি পুৱা।।"

(অসমীয়া লোকগীতি সঞ্চয়ন পৃঃ ৫১-৫২)

অসমৰ নামনি অঞ্চলত দুৰ্গা দেৱীৰ প্ৰভাৱ অধিক। আদ্যা শক্তি দুৰ্গা লোকগীতত কামাখ্যা, জগদ্ধাত্ৰী, চণ্ডী, কালী, চণ্ডিকা, ভবানী, শীতলা আদি বিভিন্ন ৰূপত প্ৰকাশমান হৈ আছে। দুৰ্গাদেৱীক লৈ ৰচনা কৰা লোকগীতবোৰত দুৰ্গাৰ মাহাত্ম্য প্ৰকাশিত হৈছে। নলবাৰী অঞ্চলত প্ৰচলিত এনে গীতৰ নিদৰ্শন হ'ল ---

"অম্বিকা চণ্ডিকা দুষ্টা দুৰ্গা মাজে বিশ্বেশ্বৰী আই।
পাঁচ ভনীয়েকে একেখন আসনে বহি নানান পূজা খায়।।"

(অসমীয়া লোকগীতি সঞ্চয়ন, পৃঃ ১১)

দুৰ্গাদেৱীৰ পিছতে নামনি অসমৰ জনপ্ৰিয় দেৱগৰাকী হ'ল -- সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী মনসা, যিগৰাকী মাৰৈ, পদ্মাৱতী আদি বিভিন্ন নামেৰে জনাজাত। সৰ্পভয়, অপায়-অমঙ্গল, বেমাৰ-আজাৰ আদিৰ ৰক্ষাকৰ্ত্ৰী দেৱী হিচাপে মনসাৰ পূজা কৰি গীত গোৱা হয়। ল'ৰা-ছোৱালী তথা ঘৰ এখনৰ মঙ্গল কামনা কৰি অসুখ-অশান্তি নিবাৰণৰ বাবে সুবচনীৰ পূজা পাতি নাম-কীৰ্তন কৰা হয়। সেইদৰে বয়সৰ লগে লগে ল'ৰা-ছোৱালীৰ শাৰীৰিক বিকাশ নহ'লে, কোনো অসুখ-বিসুখ নোহোৱাকৈ ল'ৰা-ছোৱালী ক্ষীণাই গ'লে বা ল'ৰা-ছোৱালীৰ স্বাভাৱিক আচৰণৰ ব্যতিক্ৰম হ'লে অপেশ্বৰীৰ দোষ লাগিছে বুলি সবাহ পাতি অপেশ্বৰীৰ গীত গোৱা হয়। এই গীতবোৰৰ লগত কিছুমান লোকবিশ্বাস জড়িত হৈ আছে। লক্ষ্মী-পূৰ্ণিমাৰ দিনা উজনি-নামনি সকলোতে ধনঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মীৰ নাম গোৱা হয়। নলবাৰী অঞ্চলত প্ৰচলিত এফাকি লক্ষ্মীৰ নাম এনেধৰণৰ --

"সাগৰৰ পাৰতে        মই কইঠা পাৰিলো
সমুদ্ৰৰ মাজতে গাঁজে।
ফুল নসৰাতে        বেতু সৰি পৰে
সেই ফুলে লক্ষ্মী আইক পূজে।।"

(অসমীয়া লোকগীতি সঞ্চয়ন, পৃঃ ১০৭)

নামনি অসমৰ নলবাৰীৰ কোনো কোনো অঞ্চলত প্ৰচলিত এটি পূজা হ'ল আউলা পূজা। প্ৰধানকৈ অবিবাহিতা গাভৰুৱে লগ-লাগি অনুষ্ঠিত কৰা এই পূজা হ'ল দুৰ্গাদেৱীৰ আন এটা ৰূপৰ পূজা। আউলা পূজাত প্ৰতিগৰাকী গাভৰুৱে ভাল শিপিনী হোৱাৰ মানসেৰে ওৰে ৰাতি উজাগৰে থাকি দুৰ্গাদেৱীক পূজা-সেৱা কৰি সূতা কাটি গীত গায়। এই নামবোৰক আউলা নাম বোলা হয়। আউলা পূজাৰ নামৰ নিদৰ্শন হ'ল---

'ই ঘৰৰ পৰা        মেকুৰী আহি
সি ঘৰত কৰিলে মেও
হাঁহি হেন মেখেলা        কুঁহি হেন আগুৱান
সেই কাপোৰ দেৱী আইক দেওঁ।।'

(অসমীয়া লোকগীত সঞ্চয়ন, পৃঃ

নামনি অসমত প্ৰচলিত আন এবিধ গীত হ'ল জগ
গীত। কামৰূপৰ কোনো কোনো ঠাইত বহাগ মাহত অ
ছোৱালীয়ে বাটৰ কাষত কলৰ পুলি বা তুলসী পুলি ৰুই তাৰ
মাহ-প্ৰসাদৰ শৰাই দি জগন্নাথৰ নাম গায়। এই জগন্নাথৰ
পুৰীৰ জগন্নাথৰ প্ৰতি থকা মানুহৰ বিশ্বাস আৰু জগন্নাথৰ ম
প্ৰকাশিত হৈছে। উল্লেখযোগ্য যে ভক্তিমূলক এই লোকগী
প্ৰায়বোৰেই নাৰী সমাজত প্ৰচলিত। গীতবোৰৰ মাজেৰে না
বিভিন্ন আবেগ-অনুভূতি, দেৱ-দেৱীসকলৰ প্ৰতি থকা সৰল
আৰু প্ৰগাঢ় ভক্তি প্ৰকাশ পাইছে। নাৰী প্ৰাণৰ কোমলতাই গী
মধুৰ আৰু ৰমণীয় কৰি তুলিছে।

নামনি অসমৰ নলবাৰীত বিভিন্ন ভক্তিমূলক লোক
উপৰিও ভক্তিনিৰপেক্ষ গীতৰ প্ৰচলন আছে। অনুষ্ঠানমূল
গীতবোৰ ভক্তি বা ধৰ্মীয় প্ৰভাৱৰ পৰা মুক্ত। ভক্তিনি
লোকগীতৰ অন্যতম হ'ল বিবাহ উৎসৱৰ বিভিন্ন অনুষ্ঠানৰ
জড়িত বিয়ানামসমূহ। পানী তোলা, দৰা-কইনা নোওৱা, সু
তোলা, দৰা আদৰা, কইনা হোমৰ গুৰিলৈ অনা, কইনা উ
দিয়া -- আদি বিভিন্ন উপলক্ষ্যত আয়তীসকলে এই গীতবো
নলবাৰী অঞ্চলত প্ৰচলিত কইনা উলিওৱা গীতৰ একাংশ এনে
---

"বৰঘৰৰ পৰা অলে আ লগৰি
মাঅৰাৰ মৰমক চাৰি হে
কিনকে যামে লগৰি
মাৰ মৰম চাৰি
দেহাতে অগনি জ্বলে হে।'

বিয়ানামবোৰৰ মাজেৰে আয়তীসকলৰ সৰল কল্প
আৰু দাম্পত্য জীৱনৰ মধুৰ আদৰ্শৰ কথা সুন্দৰভাৱে বৰ্ণিত
গহীন তথা ৰুচিপূৰ্ণ বিয়ানামবোৰত ৰাম-সীতা, উষা-অনিৰুদ্ধ,

ৰুক্মিনী, মহাদেৱ-পাৰ্বতী আদি পৌৰাণিক চৰিত্ৰৰ উল্লেখ পোৱা যায়। গহীন বিয়ানামবোৰৰ উপৰিও একশ্ৰেণীৰ লঘু হাস্যস্পদ বিয়াগীতো বিবাহ উৎসৱত গোৱা হয় যিবোৰক 'যোৱানাম' বা 'খিচাগীত' বোলা হয়। দৰা বা কইনা ঘৰীয়াক লৈ ঠাট্টা-মস্কৰা কৰি গোৱা এনে গীতৰ নিদৰ্শন হ'ল ---

'দকনৰে জিৰা দকনৰে জিৰা
কইনা ঘৰৰ আপীকেতা
বাঁহৰ তলৰ বিৰা।'

অসমীয়া সমাজত বিবাহৰ দৰেই জন্ম আৰু মৃত্যুৰ লগতো কিছুমান আচাৰ-অনুষ্ঠান জড়িত হৈ আছে। সন্তান জন্মৰ পিছত পালন কৰা তেনে দুটামান অনুষ্ঠান হ'ল --- নামকৰণ, অন্নপ্ৰাসন্ন, চূড়াকৰণ, লগুণ দিয়নি আদি। চূড়াকৰণ, লগুণদিয়া আদি অনুষ্ঠানত বিভিন্ন গীত গোৱা হয়। নলবাৰী অঞ্চলত প্ৰচলিত হোৱা চূড়াকৰণৰ গীতৰ এটি কলি এনেধৰণৰ---

'ছয় মাহতে বাপুৰ ভাৰচনি
আৰে বছৰতে চূৰা
বাৰ বছৰত বাপুৰ লগুণ দেনি
যল্ল বছৰত বিয়া।'

নামনি অসমৰ নলবাৰী অঞ্চলত প্ৰচলিত আন এবিধ জনপ্ৰিয় লোকগীত হ'ল মহোহো গীত। আঘোণী পূৰ্ণিমাত এই মহখেদা বা মহোহো উৎসৱ পালন কৰা হয়। এই উৎসৱত গাঁৱৰ ডেকাল'ৰাবোৰে সন্ধিয়াৰ পৰা মাজৰাতিলৈকে দল বান্ধি ঘৰে ঘৰে গৈ টোকোনেৰে শব্দ কৰি কিছুমান গীত গায়। এই গীত গাই গৃহস্থক আশীৰ্বাদ দিয়াৰ লগতে মহবোৰো খেদি পঠোৱা হয় বুলি এটি লোকবিশ্বাস প্ৰচলিত আছে। মহোহো গীতৰ নিদৰ্শন হ'ল ---

'অ হৰি মহোহো
মহ খেদিব টোকান লৌ।
মহে বুলে মইল্লুদে।
টেপৰ পুৰা খালু দে।।
(অসমীয়া লোকগীতি সঞ্চয়ন, পৃঃ ২৩৬)

মহোহো উৎসৱৰ লগত সাদৃশ্য থকা আন এবিধ উৎসৱ হ'ল উত্তৰ কামৰূপৰ জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত বাম্বোলপিটা উৎসৱ। ভাদ মাহৰ পূৰ্ণিমা তিথিত পালন কৰা এই উৎসৱত ডেকা ল'ৰাবোৰে হাতত টোকোন, ওখনি মাৰি আদি লৈ ৰাতি দলবান্ধি গৃহস্থৰ ঘৰে ঘৰে গৈ গীত গায়। এই গীতবোৰক বাম্বোলপিটা গীত বোলে।

নামনি অসমত কৰ্মৰ লগত জড়িত বিভিন্ন লোকগীতৰ প্ৰচলন আছে। কৰ্মবিষয়ত গীতসমূহ শ্ৰমৰ কষ্ট লাঘৱ কৰিবলৈ আৰু কামৰ সময়ত আনন্দ বিনোদনৰ উদ্দেশ্যে গোৱা হয়। অসমীয়া লোকগীতৰ জগতখনত ধাইনাম বা শিশুৰ মনত বিমল আনন্দ দিয়াৰ উদ্দেশ্যেৰে নিচুকণি গীতবোৰ গোৱা হয়। এই গীতবোৰৰ প্ৰধান বৈশিষ্ট্য হ'ল অলৌকিক কল্পনাৰ প্ৰাধান্য। কোমলমতি শিশুমনৰ আবেগ-অনুভূতি কল্পনাৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা নিচুকণি গীতবোৰৰ সুৰ বৰ মনপৰশা। নলবাৰী অঞ্চলত প্ৰচলিত নিচুকণি গীতৰ একাংশ এনেধৰণৰ --

'আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকি সৰি যাব
আমাৰে মইনাই বুটলি খাব।'

বৈষ্ণৱ যুগৰ সাহিত্যতো নিচুকণি গীতৰ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। নিদৰ্শন স্বৰূপে--- শ্ৰীধৰ কন্দলিৰ কানখোৱাৰ কথা উল্লেখ কৰিব পাৰি।

নলবাৰী অঞ্চলত প্ৰচলিত কৰ্মৰ লগত জড়িত আন এবিধ গীত হ'ল নাওখেলৰ গীত। যাতায়ত ব্যৱস্থাৰ এক অন্যতম মাধ্যম হৈছে নাও। নাও বাওতে নাৰৰীয়াসকলে শ্ৰম লাঘৱৰ উদ্দেশ্যে এই গীতবোৰ গায়। সেইদৰে সৰু ল'ৰা-ছোৱালীয়ে বৰশী বাওঁতে আমনি দূৰ কৰি আনন্দ লাভৰ বাবে বৰশী বোৱা গীত গায়। এই গীত গালে বৰশীত মাছ আহে বুলি বিশ্বাস প্ৰচলিত আছে। নলবাৰী অঞ্চলত গোৱা বৰশী বোৱা গীতৰ নিদৰ্শন হ'ল ---

'চেঙ কাই লৰি আহ লৰি আহ
মোৰ বৰশীত ধৰি আহ ধৰি আহ
ধৰ বেটা ধৰ। একে খোটে তল কৰ।।
এখোট মাৰি ক'ক গেলি
ভায়েৰহাঁতৰ মূৰ খালি।।
(অসমীয়া লোকগীতি সঞ্চয়ন, পৃঃ ২৩৫)

নামনি অসমৰ আন দুবিধ কৰ্মবিষয়ক গীত হ'ল কুঁহিয়াৰ

পেৰা গীত আৰু হালবোৱা গীত। কুঁহিয়াৰ পেৰোতে শ্ৰম লাঘৱৰ উদ্দেশ্যে কুঁহিয়াৰ পেৰা গীত গোৱা হয়। আকৌ হালবোৱা কাম কষ্টদায়ক হ'লেও ই কৃষকৰ প্ৰধান কাম। সেয়ে এই কষ্ট দূৰ কৰাৰ লগতে কামত উৎসাহ বৃদ্ধিৰ বাবে হালবোৱা গীত গোৱা হয়। হাস্যৰসাত্মক এইগীতবোৰত প্ৰধানকৈ নাঙল-যুঁৱলিকে ধৰি কৃষিৰ বিভিন্ন সা-সঁজুলিৰ বৰ্ণনা পোৱা যায়। কৃষিজীৱি সমাজত গৰখীয়াসকলৰ মাজত প্ৰচলিত আন এবিধ লোকগীত হ'ল গৰখীয়া গীত। পথাৰ বা নৈৰ চাপৰিত গৰু ম'হ চৰাওঁতে গৰখীয়াই ক্লান্তি দূৰ কৰি আনন্দ বিনোদনৰ বাবে এই গীত গায়। বহাগৰ গৰুবিহুত গোৱা এটি জনপ্ৰিয় গৰখীয়া গীত হ'ল --

'দীঘলতী দীঘল পাত।
গৰুক কুঁবাও জাত জাত।।
মাৰে সৰু বাইপে সৰু।
তই হবি বৰ গৰু।।
লাউ খা বাঙনা খা।
বছৰে বছৰে বাঢ়ি যা।।'

(অসমীয়া লোকগীতি সঞ্চয়ন, পৃঃ ২২৯)

অসমৰ নামনি অঞ্চলত ধানবনাগীত, শাকতোলা গীত, হাউখেলৰ গীত আদি বিভিন্ন লোকগীতৰ প্ৰচলন আছে। ধানবনা গীত নামনি অসমত বৰ জনিপ্ৰয়। নলবাৰী অঞ্চলত প্ৰচলিত ধানবনা গীতৰ নিদৰ্শন এনেধৰণৰ --

'হুচ বাবা হুচ ধানৰ বাকলি গুচ
গধূলিকৈ হালোৱা আহি
মোক বুলিব গুচ
হুচ বাবা হুচ।'

(অসমীয়া লোকসাহিত্য, পৃঃ ২১২)

আদিম কালত সমাজখন আছিল মুখ্যত কৃষিজীৱি সমাজ। গতিকে চহা লোকসকলে কৃষিকাৰ্যত মনোনিবেশ কৰোঁতে শ্ৰমৰ ক্লান্তি দূৰ কৰিবৰ কাৰণে বিভিন্ন ধৰণৰ গীত গাইছিল। শ্ৰম লাঘৱৰ লগতে আনন্দ বিনোদন আৰু কামত উৎসাহ বৃদ্ধিয়েই হ'ল কৰ্মবিষয়ক গীতসমূহৰ প্ৰধান উদ্দেশ্য।

নামনি অসমৰ লোকগীতৰ ক্ষেত্ৰখন বৰ ব্যাপক আৰু বৈচিত্ৰ্যপূৰ্ণ। নামনি অসমত এনে কিছুমান সুকীয়া উৎসৱৰ অনুষ্ঠান আৰু তাৰ লগতে জড়িত গীত-মাতৰ প্ৰচলন আছে যিবোৰ উজনি অসমত দেখিবলৈ পোৱা নাযায়। অৰ্থাৎ মহোহো উৎসৱ, বাস্বোলপিটা উৎসৱ, আউলা পূজা আদি উৎসৱ-পাৰ্বনৰ প্ৰচলন উজনি অসমত নাই। নলবাৰী অঞ্চলত প্ৰচলিত গীত-মাতবোৰে জনজীৱনৰ প্ৰতিফলন ঘটোৱাৰ লগতে অঞ্চলটোৰ বিশেষ বৈশিষ্ট্যও বহন কৰিছে। ✦✦

**প্ৰসঙ্গপুথি ঃ**

**বৰুৱা, প্ৰহ্লাদ কুমাৰ (সম্পা) ঃ অসমীয়া লোক সাহিত্য, ২০০১ অসম সাহিত্যসভাৰ ষষ্টষষ্টিতম অধিবেশন, ডিব্ৰুগড়।**

**শৰ্মা, হেমন্ত কুমাৰ (সংগ্ৰাহক সম্পাদক) ঃ অসমীয়া লোকগীতি সঞ্চয়ন, ১৯৯০ বীণা লাইব্ৰেৰী, গুৱাহাটী।**